**3 (Sem–2/CBCS) ASM HC2**

**2025**

# ASSAMESE

(Honours Core)

Paper : ASM–HC–2026

***(Sahitya Samalochana)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×১০=১০

(ক) "বক্ৰোক্তি কাব্যজীৱিতম্।" – এই সূত্ৰৰ প্ৰবক্তা গৰাকীৰ নাম কি?

(খ) "নাটক কাৰ্যৰ অনুসৰণ।" – কথাষাৰ কোনগৰাকী গ্ৰীক দাৰ্শনিকে কৈছিল?

(গ) "শব্দাৰ্থৌ সহিতৌ কাব্যম্।" –এই বাক্যটিৰ অৰ্থ কি?

(ঘ) 'কাৰেঙৰ লিগিৰী' নাটখনৰ ৰচক কোন?

(ঙ) 'নভেলা' (Novella) শব্দটো কোন ভাষাৰ পৰা আহিছে?

(চ) ৰীতিবাদৰ প্ৰৱৰ্ত্তক কোন?

(ছ) ব্যঞ্জনাৰ এটা ভাগৰ নাম লিখা।

(জ) শংকৰদেৱৰ জীৱন আধাৰিত *যিকোনো এখন* উপন্যাসৰ নাম লিখা।

(ঝ) অসমীয়া চুটিগল্পৰ জনক কোন?

(ঞ) কিহৰ সংযোগত ৰসৰ নিষ্পত্তি ঘটে?

২। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটাৰ)* ২×৫=১০

(ক) আচাৰ্য দণ্ডীৰ মতে কাব্যৰ ভাগ কেইটা?

(খ) ব্ৰেখটীয় নাট্যধাৰাৰ প্ৰৱৰ্তক কোন? তেওঁ কোন দেশৰ নাট্যকাৰ?

(গ) নাটকৰ দুবিধ উপাদানৰ নাম লিখা।

(ঘ) অসমীয়া ভাষাৰ *দুখন* এবচাৰ্ডধৰ্মী নাটকৰ নাম লিখা।

(ঙ) চিত্ৰকল্পবাদী আন্দোলন কোন দেশত আৰু কেতিয়া উদ্ভৱ হৈছিল?

৩। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৪=২০

(ক) কবিতাত চিত্ৰকল্পৰ আৱশ্যকতা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) চুটিগল্পৰ উপাদানসমূহৰ বিষয়ে এটি চুটি আলোচনা যুগুত কৰা।

(গ) কবিতাত কল্পনাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(ঘ) ট্ৰেজেডিৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

(ঙ) উপন্যাসৰ শ্ৰেণীবিভাজন সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(চ) নাটকত সংলাপৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ আলোচনা কৰা।

৪। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৪=৪০

(ক) কবিতাত ধ্বনি আৰু ৰসৰ ভূমিকা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) নাটকত নাট্যকাৰৰ জীৱনদৰ্শনৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা।

(গ) সাহিত্যত ৰস আৰু ৰীতিৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(ঘ) ধ্বনিবাদ কি? কাব্যত ধ্বনিৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

(ঙ) উপন্যাসৰ উপাদানসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা।

(চ) ব্ৰেখটীয় নাট্যধাৰাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(ছ) চিত্ৰকল্পবাদ আৰু প্ৰতীকবাদৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(জ) চুটিগল্প আৰু উপন্যাসৰ মাজত থকা পাৰ্থক্যসমূহ বিশ্লেষণ কৰা।

---